অধ্যায় ৮ : গুৰু-চৰিত-কথা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ গুৰু-চৰিত-কথা [৩৬ নং দফাৰ পৰা ৮৫ নং দফালৈ]
৮.৪ সাধাৰণ আলোচনা
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্রগতিৰ খতিয়ান
৮.৮ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শংকৰদেৱৰ জন্ম, শৈশৱ আৰু শিক্ষাজীৱনৰ বিষয়ে জানিব পাৰিব।
- শংকৰদেৱৰ ব্যক্তিত্ব, নেতৃত্বগুণ আৰু অসাধাৰণ প্রতিভাৰ বিষয়ে বুজিব পাৰিব।
- শংকৰদেৱৰ তীর্থ-যাত্রা আৰু তাৰ প্রভাৱ সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব।
- একশৰণ নামধর্মৰ সূচনা আৰু প্রচাৰৰ বিষয়ে জানিব পাৰিব।
- শংকৰদেৱৰ সাহিত্যিক, সাংস্কৃতিক আৰু ধর্মীয় অৱদান উপলব্ধি কৰিব পাৰিব।
- মধ্যযুগীয় অসমৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।

৮.২ পৰিচয়

পূর্বৰ অধ্যায়ত আমি চৰিত সাহিত্যৰ উৎপত্তি, বিকাশ আৰু সাহিত্যিক গুৰুত্বৰ বিষয়ে অধ্যয়ন কৰিছিলোঁ। সেই অধ্যায়ত *গুৰু-চৰিত-কথা*ৰ স্বৰূপ, বিষয়বস্তু আৰু গদ্যশৈলীৰ বৈশিষ্ট্যৰ বিষয়ে জানিবলৈ সক্ষম হৈছিলোঁ। লগতে মহাপুৰুষ শংকৰদেৱৰ জীৱন, ধর্মপ্রচাৰ, সাহিত্যসাধনা আৰু সমাজ-সংস্কাৰমূলক কার্যকলাপৰ বিৱৰণ চৰিত পুথিত কেনেদৰে লিপিবদ্ধ কৰা হৈছে, সেই বিষয়েও সম্যক ধাৰণা লাভ কৰিছিলোঁ। ইয়াৰ উপৰিও চৰিত সাহিত্যত সংৰক্ষিত মধ্যযুগীয় অসমৰ সমাজ, সংস্কৃতি, শিক্ষা, অর্থনীতি আৰু ধর্মীয় জীৱনৰ মূল্যৱান তথ্যৰ বিষয়েও জ্ঞান লাভ কৰিছিলোঁ।

এই অধ্যায়ত আমি *গুৰু-চৰিত-কথা*ৰ জৰিয়তে মহাপুৰুষ শংকৰদেৱৰ জন্ম, শৈশৱ আৰু শিক্ষাজীৱনৰ বিষয়ে বিস্তৃতভাৱে জানিবলৈ সক্ষম হ'ম। লগতে তেওঁৰ অসাধাৰণ ব্যক্তিত্ব, নেতৃত্বগুণ, প্রতিভা আৰু তীর্থ-যাত্রাৰ প্রভাৱৰ বিষয়েও ধাৰণা লাভ কৰিব পাৰিম। এই অধ্যয়নৰ জৰিয়তে একশৰণ নামধর্মৰ সূচনা আৰু প্রচাৰ, শংকৰদেৱৰ সাহিত্যিক, সাংস্কৃতিক আৰু ধর্মীয় অৱদান, তথা মধ্যযুগীয়

অসমৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনৰ বিভিন্ন দিশ সম্পৰ্কেও সম্যক জ্ঞান লাভ কৰিব পাৰিম।

৮.৩ গুৰু-চৰিত-কথা [৩৬ নং দফাৰ পৰা ৮৫ নং দফালৈ]

আমাৰ আলোচনাৰ বাবে নিৰ্বাচিত দফা বা ছেদকেইটিত মূলতঃ শংকৰদেৱৰ জন্মৰ পৰা ধৰ্ম প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰাৰ সময়ছোৱাৰ কথা বৰ্ণনা কৰা আছে। শংকৰদেৱ যে জন্মৰ সময়ৰেই পৰা দিব্য গুণ সম্পন্ন আছিল তাকে বৰ্ণনা কৰিবলৈ গৈ চৰিতকাৰে ৩৬ আৰু ৩৭ নম্বৰ দফাত তেওঁৰ জন্মৰ একৈশৰ পৰা ছাব্বিছ দিনৰ ভিতৰত কেনেবোৰ অলৌকিক কাণ্ড ঘটনা ঘটিছিল বা তেওঁ কৰিছিল সেয়া বৰ্ণনা কৰি মাস-শুদ্ধিৰ কথা উপস্থাপন কৰিছে। এই প্ৰসংগত আনকি সাপ নচুৱা লোকৰ সাপে ননচা, বাজিকৰৰ ছায়াপুতলা ননচা, নাৱদে মগনিয়াৰ বেশেৰে আহি তেওঁৰ সেৱা কৰি যোৱা, আমৰ গছ ভাঙি পৰিও খাটৰ এহাত ওপৰত ৰৈ যোৱা আদি ঘটনা উল্লেখ কৰিছে। এনে বিভিন্ন মহিমা কৰিয়েই শংকৰদেৱ একালা-দুকলাকৈ বাঢ়ি ডাঙৰ হ'বলৈ ধৰে আৰু শেষত কায়স্থসকলৰ কৰা ষড়কৰ্মৰ কথা উল্লেখ কৰিছে।

৩৮ ৰ পৰা, ৪৫ নম্বৰ দফালৈকে শংকৰদেৱৰ শিশুলীলা বৰ্ণিত হৈছে। বৃন্দাবনত কৃষ্ণই যেনেদৰে সমনীয়াৰ সৈতে লীলা কৰি ডাঙৰ-দীঘল হৈছিল ঠিক তেনেদৰে গুৰুজনাও ক্ৰমান্বয়ে ডাঙৰ হ'বলৈ ধৰে। তেওঁৰ লীলাৰ কথা ক'বলৈ গৈ সৰু অৱস্থাতে ব্ৰহ্মপুত্ৰত বুৰ মাৰি কাছ ধৰি অনাৰ কথা, ভাদমাহত ভৰ লুইত সাঁতুৰি পাৰ হোৱাৰ কথা, বট চৰাই ধৰা, অজগৰ বধ কৰা, চণ্ডী পাৰি বহা, ভণ্টা, ডুগডুগলি, ঢোপ খেলা আদিৰ বৰ্ণনা কৰিছে। এই সকলোবোৰতে প্ৰকাৰন্তে তেওঁৰ চমৎকাৰী কৰ্মৰাজিৰ কথাই ব্যক্ত হৈছে। আনকি ঢোপ খেলোতে চান্দৰ কাপোৰ ফটাত গুৰুজনাই চুই দিয়াৰ লগে লগে ঠিক হোৱা, ভণ্টা খেলোতে তিতাৰাম আতৈৰ কাণ ছিণ্ডি গৈছিল যদিও চুই দিয়াৰ লগে লগে যোৰা লাগি যোৱা আদি কথাৰ বৰ্ণনা আছে।

৪৬ নম্বৰ দফাত গুৰুজনাৰ পিতৃ-মাতৃ বিয়োগৰ কথাৰ লগতে তেওঁ যে খেৰসুটি আইৰ তত্ত্বাৱধানত ডাঙৰ হ'বলৈ ধৰে সেয়া উল্লেখ আছে। ৪৭ নম্বৰ দফাত শংকৰদেৱে চতুৰ্ভূৰ্জ-ৰূপ-প্ৰদৰ্শন কৰাৰ কথা ব্যক্ত কৰিছে। ৪৮ নম্বৰ দফাত বালিভাত বা বনভোজ খোৱাৰ বৰ্ণনাৰ জৰিয়তে শংকৰদেৱ ৰন্ধন কাৰ্যটো যে পাকৈত আছিল তাৰে প্ৰমাণ দিয়ে। ৪৯ নম্বৰ দফাত বুঢ়ী মাকে শংকৰদেৱে পঢ়া-শুনা নকৰাৰ বাবে ককৰ্থনা কৰাৰ কথা আছে। কথাৰ প্ৰসংগত বুঢ়ী মাকে কৈছে – "ৰাজাক স্বদেশেহে পূজে : বিদ্যাৱন্ত সৰ্ব্বদেশে পূজ্য"।

৫০ নম্বৰ দফাৰ পৰা ৬০ নম্বৰ দফালৈকে গুৰুজনাৰ ছাত্ৰ জীৱনৰ কথা বৰ্ণনা কৰা হৈছে। তেওঁৰ বাৰ বছৰ বয়সত বুঢ়ী মাক খেৰসুটিয়ে "চাউল এপাচি টকা এটি বস্ত্ৰ" দি গুৰু মহেন্দ্ৰ কন্দলিৰ টোলত নাম লিখাই দিয়ে। ইয়াতে তেওঁ কেনেকৈ নিজৰ কৰ্মৰে, অলৌকিকতাৰে ওজা ছাত্ৰৰূপে পৰিগণিত হ'ল আৰু 'শংকৰদেৱ' নামেৰে পৰিচিত হোৱাৰ বৰ্ণনা, তেওঁক ওজা ছাত্ৰৰূপে স্বীকৃতি দিয়াত বামুণ ছাত্ৰৰ মাজত সৃষ্টি হোৱা সংঘাত আৰু সপোনৰ মাধ্যমেৰে তাৰ প্ৰতিকাৰ, জেঠ মাহত পথাৰত ধান খোৱা হস্তী-মৰ্দন, ঘৰলৈ যোৱাৰ ফলত হোৱা ঘটনা; অ-কাৰ, আ-কাৰ নিশিকাকৈ "পৃথিৱি পাতাল বৈকুণ্ঠ স্বৰ্গ ভেদি" যোৱা শ্লোক ৰচনা, দূৰ্গাতত্ত্বৰ বিষয়ে শিকাবলৈ গৈ কন্দলিয়ে তুলসীপাতেৰেই

সন্তোষিত হোৱা কৃষ্ণতত্ত্বৰ জ্ঞান প্ৰদান কৰা, কুসুমদেউৰ তিথিৰ প্ৰসংগ উল্লেখ, গুৰুজনাই মাৰ্কণ্ডেয় পুৰাণৰ আধাৰত হৰিচন্দ্ৰ-উপাখ্যান ৰচনা কৰাৰ কথা, ম'ৰা চৰাই ধৰা, লুইত সাঁতুৰি পাৰ হোৱা, ভালুক মৰা, কন্দলিৰ সকলো ছাত্ৰই লগ হৈ লুইতত নমোৱা নাওখন অকলে নমাই দিয়া, গা ধুবলৈ গৈ শিহু মৰা, বুৰ মাৰি পানীৰ পৰা কাটল মাছ ধৰি অনা আদিৰ প্ৰসংগ উল্লেখ আছে। এই দফাটোতেই গুৰুজনাই এবছৰতে যে সৰ্ব-শাস্ত্ৰ অধ্যয়ন কৰে সেই কথাও উল্লেখ আছে। তেওঁ কি কি শাস্ত্ৰ অধ্যয়ন কৰিছিল সেই সকলোবোৰ শাস্ত্ৰৰ নাম একাদিক্ৰমে অন্তভুৰ্ক্ত কৰা হৈছে। শেষত তেওঁ গুৰুৰ ওচৰৰ পৰা বিদায় ল'লে। ইয়াৰ পাছৰ দফাটোতেই তেওঁ যোগশাস্ত্ৰ পঢ়ি এপৰলৈকে কেনেদৰে পানীত বুৰ মাৰি থাকিব পাৰে কিন্তু বস্ত্ৰ নিতিতে সেয়া বৰ্ণনা কৰিছে। এই বোৰৰ মাজত ক'ব নোৱৰাকৈয়ে শংকৰদেৱৰ গাত অলৌকিক গুণ সন্নিৱিষ্ট কৰাৰ প্ৰচেষ্টা লক্ষ্য কৰা যায়।

৬২ নম্বৰ দফাত গুৰুজনাৰ সৈতে সূৰ্যাৱতীৰ বিৱাহ, মনুৰ জন্ম, সূৰ্যাৱতীৰ মৃত্যু, হৰিৰ সৈতে মনুৰ বিৱাহ আৰু তীৰ্থ-যাত্ৰা কৰাৰ প্ৰস্তাৱৰ কথা উল্লেখ আছে। ৬৩ নম্বৰ দফাৰ পৰা ৬৮ নম্বৰ দফালৈকে গুৰুজনাৰ তীৰ্থ-যাত্ৰাৰ কথা বিস্তৃতভাৱে বৰ্ণনা কৰা আছে। তেওঁ জয়ন্ত দলৈক বৰভূঞা পাতি যাত্ৰা আৰম্ভ কৰিছিল আৰু ক'লৈ ক'লৈ গৈছিল তাৰে বিশদ বৰ্ণনা ইয়াত সন্নিৱিষ্ট হৈছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এই বৰ্ণনাৰ মাজতে চৰিতকাৰে মাধৱদেৱৰ জন্ম হোৱাৰ প্ৰসংগও উত্থাপন কৰি গৈছে আৰু তীৰ্থ-যাত্ৰাৰ সময়ত শংকৰদেৱে কাৰোবাক কাৰোবাক শিষ্য হিচাপে লৈ জ্ঞান দান কৰাৰ কথা উল্লেখ আছে। শেষত বাৰ বছৰৰ মূৰত তীৰ্থ-যাত্ৰা সমাপ্ত কৰি ঘূৰি আহি শংকৰদেৱ আলিপুখুৰীত উপস্থিত হয়হি।

৬৯ নম্বৰ দফাত তীৰ্থ-যাত্ৰাৰ পৰা ঘূৰি অহাৰ পাছত জ্ঞাতি-কুটুম্বৰ আদৰণিৰ কথা বৰ্ণিত হৈছে। ৭০ নম্বৰ দফাত বুঢ়ী মাকে পুনৰ বিৱাহৰ বাবে প্ৰস্তাৱ আগ বঢ়াই আৰু প্ৰথমতে গুৰুজনাই সেয়া মানি লোৱা নাছিল যদিও পৰিশেষত মানি লয়। ৭১ নম্বৰ দফাত গুৰুজনাৰ সৈতে কালিন্দী আইৰ বিবাহৰ কথা আৰু আলিপুখুৰীত পাঁচ বছৰ কটোৱাৰ কথা আছে। এই শাখাটোৰ মাতে তাৰ পৰৱৰ্তী সময়ত হৰিকীৰ্ত্তন কৰাৰ কথা উল্লেখ আছে। কিন্তু অসুবিধা লাভ কৰি শিষ্যসকলৰ সৈতে কথা পাতি তাৰ পৰা কিছু আঁতৰত কুসুমদেবৰ সৰিহতলি চিকুনাই চাৰি হাটি কৰি হৰি-গৃহ প্ৰতিষ্ঠা কৰাৰ কথা উল্লেখ আছে। ইয়াতেই তিনিবস্তু – সৎসংগ, নাম আৰু একশৰণ আৰম্ভ কৰাৰ কথা কৈ চতুৰ্থটি [গুৰু] পৰৱৰ্তী সময়ত বেলগুৰিত মাধৱদেৱে প্ৰচাৰ কৰিছিল বুলি লিপিবদ্ধ কৰিছে। সামগ্ৰিকভাৱে ইয়াতেই আমি গুৰুজনাই ভালদৰে ধৰ্মপ্ৰচাৰ কৰিবলৈ মনোনিৱেশ কৰাৰ কথা সন্নিৱিষ্ট হৈছে।

ইয়াৰ পাছতে ৭২ নম্বৰ দফাৰ পৰা আমি অধ্যয়ন কৰিবলগীয়া ৮৫ নম্বৰ দফালৈকে গুৰুজনাৰ শাস্ত্ৰ ৰচনা, বিভিন্নজনে কেনেকৈ তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল, সমসাময়িক সাহিত্যিকসকলৰ ৰচনাৰাজিৰ উল্লেখ আদিৰ লগতে টেম্বুৰা জানেৰে সোমাই অহা লুইতৰ পানীৰ ধাৰ বন্ধ কৰিবলৈ পতিব্ৰতা বিচৰা, ৰাধিকা শান্তিৰ প্ৰসংগ, বাৰভূঞাসকলে চল কৰি কছাৰীসকলক মৰা, বাৰভূঞাসকলৰ উত্তৰ পাৰলৈ গমন, কোচ-মৰাণৰ ৰণ আদিৰ কথা বৰ্ণনা কৰা হৈছে।

এই দফাবোৰতো শংকৰদেৱৰ অলৌকিক গুণৰ কথা উল্লেখ নথকা নহয়। যেনে ৭২ নম্বৰ দফাত "দুপৰ নিশা গৈ বৃদ্ধাঙ্গুষ্ঠে ধেনুএ কাৰ কৰি উদ্ধৰ্ হস্তকৈ গোহনি মাৰিলে" আৰু আকাশীগংগা ধৰালৈ নামি অহাৰ কথা উল্লেখ আছে।

এই সময়ছোৱাতে শংকৰদেৱে ভক্তিপ্রদীপ, ৰুক্মিণীহৰণ ৰচনা কৰা, জগদীশ মিশ্রই তেওঁক লগ ধৰিবলৈ আহি তাতে এবছৰ থাকি ভাগৱত ব্যাখ্যা কৰাৰ প্রসংগ লিপিবদ্ধ হৈছে। ৭৪ নম্বৰ দফাত কপিলীমুখৰ কুমাৰৰ দ্বাৰা "ডাইনা সাত আঙ্গুৰ বেঞা তেৰ আঙ্গুল।" দি খোল নির্মাণ কৰাৰ কথা, কুমাৰে কেনেদৰে ঘূণ দি খোলৰ মাত উলিয়ালে তাৰ প্রসংগ, তুলাপাতত সাত বৈকুণ্ঠৰ ছবি অংকন, কল্পতৰু স্থাপন কৰিবলৈ ঠাই বিচাৰি থাকোতে চন্দৰি আয়ে দেখুৱাই দিয়াৰ কথা, ববধেমালি-ঘোষাধেমালি-তালমান নমাই গায়ন-বায়ন কৰাৰ কথা, চিহ্নযাত্রা নাট প্রদর্শন কৰাৰ প্রসংগ, গুৰুজনাই বাউমগুলী ৰাগ গোৱাত গছৰ পাত সৰা, মেঘমগুলী ৰাগ গালে গছে পাত ধৰা আদিৰ কথা বিস্তৃতভাৱে উল্লেখ কৰিছে। লগতে ব্রাহ্মণসকলে তেওঁৰ ওচৰত শৰণলোৱাৰ কথাও আছে। শংকৰ গুৰুজনাই এই সময়ছোৱাতে উদ্ধৱ-সংবাদ পুথি প্রদান কৰি কবিৰত্ন সৰস্বতী, ৰামৰাম গুৰু শৰণ দিছিল।

ইয়াৰ পাছতে শিঙত ধৰি ষাড়-গৰু মৰ্দ্দন কৰাৰ কথাৰে তেওঁৰ অলৌকিক শক্তিৰ কথা পুনৰ উত্থাপন কৰিছে ৭৫ নম্বৰ দফাত। ৭৬ নম্বৰ দফাৰ পৰা ৭৮ নম্বৰ দফালৈকে টেম্বৱা জানেৰে লুইতৰ পানী সোমাই আহা পানী বন্ধ কৰিবলৈ চেষ্টা কৰাৰ কথা উল্লেখ আছে। সেই পানীৰ ধাৰ বন্ধ কৰিবলৈ সতী তিৰোতাই পলৰে ব্রহ্মপুত্রৰ পানী আনিব লাগিব বুলি গুৰুজনাই জনায়। বাহ্মণ সকলে হ'ব বুলি গৈ ঘৰত কৈছিল যদিও কোনেও মান্তি নহ'ল। সেই কথা গুৰুজনাক জনোৱাত গুৰুজনাই স্কন্ধপুৰাণৰ এটি কাহিনী বর্ণনা কৰে। ৭৭ নম্বৰ দফাত স্কন্ধপুৰাণত উল্লেখ থকা কলিংগ দেশৰ ৰজাৰ মুখত হোৱা ৰোগ নিৰাময়ৰ বাবে সতীৰ গাখীৰ বিচৰাৰ প্রসংগত কেনে অৱস্থা হৈছিল সেয়া বর্ণনা কৰা হৈছে। ইয়াৰ পাছৰ দফাটোত সমাজে হীন জাতৰ বুলি বিবেচনা কৰা পুর্ণানন্দৰ পত্নী যোগমায়া বা ৰাধিকা শান্তিয়ে কেনেদৰে নিজকে সতী হিচাপে প্রতিপন্ন কৰে, কেনেদৰে পলৰে ব্রহ্মপুত্রৰ পৰা পানী আনি সেই জান বন্ধ কৰিলে তাৰে সৰিশেষ বর্ণনা সন্নিৱিষ্ট হৈছে।

ইয়াৰ পাছৰ দফা ৭৯-৮১ত সমসাময়িক কবি অনন্ত কন্দলিয়ে কিয় আৰু কেনেকৈ ধর্ম-দেৱতাৰ পূজা পৰিত্যাগ কৰিলে সেই প্রসংগ উল্লেখ আছে। কন্দলিয়ে শংকৰদেৱক সাক্ষাৎ কৰিবলৈ আহি তেওঁৰ সন্মুখত ধর্মই কপিলা গোৰূপে অৱস্থান কৰাৰ অলৌকিক দৃশ্য দেখাৰ প্রসংগ উত্থাপন কৰি তেওঁ কেনেদৰে শংকৰদেৱত শৰণ ল'লে সেয়া লিপিবদ্ধ কৰিছে। এই দফা মতেই গুৰুজনাই দশমৰ সকলো অনুবাদ কৰিম বুলি ভাবি থৈছিল যদিও অনন্ত কন্দলিয়ে মন কৰি আছে বাবে তেওঁক মধ্য-শেষ দশম অনুবাদ কৰিবলৈ অজ্ঞা প্রদান কৰে। অনন্ত কন্দলিয়ে তাৰ পাছত দশমৰ দুইভাগৰ উপৰি কি কি পুথি ৰচনা কৰিছিল সেইখিনি উল্লেখ কৰা হৈছে।

৮২ নম্বৰ দফাত সার্ব্বভৌম ভট্টাচার্যই কাশী-বেনাৰসত পঢ়ি আহি কেনেদৰে গপতে গংগাটোপ হৈ আছিল সেই কথা উল্লেখ কৰি পৰৱর্তীসময়ত তেওঁ শংকৰ গুৰুত শৰণ লোৱা আৰু 'স্বর্গখণ্ড' ৰচনা কৰা প্রসংগ সন্নিৱিষ্ট হৈছে।

৮৩ নম্বৰ দফাত কছাৰীসকলৰ অতপালিত সহ্য কৰিব নোৱাৰি বাৰভূঞাসকলে চল কৰি তেওঁলোকক বধ কৰাৰ কথা উল্লেখ আছে। সেই বতৰা কছাৰী ৰজাই লাভ কৰি বাৰভূঞাসকলক মাৰিবলৈ খেদি আহে।

ইতিমধ্যে সেই ঠাইত গুৰুজনাই ধর্ম-চর্চা কৰা আঠ বছৰ পাৰ হৈছিল। কছাৰীসকলে খেদি অহাৰ কথা ভূঞাসকলে শংকৰদেৱক কোৱাত তেওঁ সকলোকে তাৰ পৰা লগে লগে পলাবলৈ দিহা দিলে। সকলোৱে যি যত পাই তাকে লৈ, ধান-বস্ত্ৰ-গো-ম'হ সকলো এৰি ব্ৰহ্মপুত্ৰৰ পাৰ পালে। তাতে দেখে যে নাৱো নাই। তথাপিতো গুৰুজনাই সকলোকে ব্ৰহ্মপুত্ৰত ঠাৱনি পাবি বুলি আগ বাঢ়িবলৈ দিলে। যমুনাই নন্দক, সমুদ্ৰই ৰামক বাট এৰি দিয়াৰ দৰে ব্ৰহ্মপুত্ৰইও সকলোকে বাট এৰি দিছিল। কছাৰীসকল আহি পাই গুৰুজনাক পায় আৰু তেওঁকে মাৰিব বিচাৰে। সেই সময়তে পানীত উটি অহা গীতা শাস্ত্ৰখন তুলি ধৰি গুৰুজনাই তেওঁৰ সন্যাসী বুলি চিনাকি দিয়ে আৰু তেওঁলোকৰ মানুহ মাৰি বাকীসকল এইফালে পলাইছে বুলি পানীলৈ দেখুৱায়। শংকৰদেৱে পানীত নামি নদী পাৰ হ'ব ধৰে। তেওঁক দেখি কছাৰীসকলে সেয়া কৰিবলৈ যাওঁতে সকলোৱে পানীত দুবি মাৰে। ৮৫ নম্বৰ দফা মতে নদী পাৰ হৈ সেই ঠাইতে শংকৰদেৱে জ্ঞাতি-কুটুম্বৰসৈতে ছমাহ কটায়। সেইসময়তে কোচ-মৰাণৰ যুঁজ লাগে, দেশ ভগাৰ কথা শুনি তেওঁলোকে পুৱা উজাই যাত্ৰা আৰম্ভ কৰাৰ কথা উল্লেখ কৰিছে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ : শংকৰদেৱক কিমান বছৰ বয়সত কাৰ টোলত কোনে শিক্ষাগ্ৰহণৰ বাবে নাম লিখাই দিছিল ?

.....

প্ৰশ্ন নং ২ : শংকৰদেৱে নির্মাণ কৰিবলৈ দিয়া খোলৰ জোখ কিমান আছিল ?

.....

t চিন্তা-চর্চা কৰক— ৮.১

শংকৰদেৱে শিক্ষাগ্ৰহণৰ সময়ত এবছৰত কি কি শাস্ত্ৰ অধ্যয়ন কৰিছিল তাৰে তালিকাখন নিজৰ ভাষাত লিখি উলিয়াওক।

৮.৪ সাধাৰণ আলোচনা

আমাৰ আলোচনাৰ বাবে নির্বাচিত *গুৰু-চৰিত-কথাৰ* ৩৬ নং দফাৰ পৰা ৮৫ নং দফালৈকে মূলতঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম, শৈশৱ, শিক্ষাগ্ৰহণ, গার্হস্থ্য জীৱন, তীর্থ-যাত্ৰা আৰু একশৰণ

নামধর্মৰ প্রচাৰৰ আৰম্ভণিৰ বিভিন্ন ঘটনাৰ বিৱৰণ সন্নিৱিষ্ট হৈছে। এই অংশত শংকৰদেৱৰ জীৱনৰ বহু উল্লেখযোগ্য দিশৰ লগতে চৰিতকাৰৰ ভক্তিপূর্ণ দৃষ্টিভংগীও স্পষ্টভাৱে প্রতিফলিত হৈছে।

পাঠটোৰ আৰম্ভণিতেই শংকৰদেৱৰ জন্মৰ লগত জড়িত বিভিন্ন অলৌকিক ঘটনাৰ বর্ণনা পোৱা যায়। চৰিতকাৰে তেওঁক এজন সাধাৰণ শিশুৰূপে উপস্থাপন নকৰি জন্মৰ পৰাই দিব্য শক্তিসম্পন্ন মহাপুৰুষ হিচাপে চিত্রিত কৰিবলৈ চেষ্টা কৰিছে। বিভিন্ন আশ্চর্যজনক ঘটনা আৰু অলৌকিক কাণ্ডৰ জৰিয়তে তেওঁৰ মাহাত্ম্য প্রতিষ্ঠা কৰাৰ প্রয়াস এই অংশত লক্ষ্য কৰা যায়। ইয়াৰ জৰিয়তে লেখকে গুৰুজনাৰ প্রতি থকা অগাধ শ্রদ্ধা আৰু ভক্তি প্রকাশ কৰিছে।

ইয়াৰ পিছত শংকৰদেৱৰ শৈশৱকালীন জীৱনৰ বর্ণনা দিয়া হৈছে। খেল-ধেমালি, সাহসিকতা, শাৰীৰিক পাৰদর্শিতা আৰু সমনীয়াসকলৰ সৈতে কৰা বিভিন্ন কার্যকলাপৰ মাজেৰে তেওঁৰ ব্যক্তিত্বৰ এক জীৱন্ত ছবি অংকিত হৈছে। ব্রহ্মপুত্রত সাঁতুৰি পাৰ হোৱা, বনৰীয়া জীৱ-জন্তুৰ সৈতে মোকাবিলা কৰা বা সমনীয়াসকলৰ মাজত নেতৃত্ব দিয়া আদি ঘটনাই তেওঁৰ অসাধাৰণ শক্তি আৰু সাহসৰ পৰিচয় বহন কৰে। একে সময়তে অলৌকিক ক্ষমতাৰ কথাও ইয়াত সন্নিবিষ্ট কৰা হৈছে, যিয়ে চৰিত সাহিত্যৰ এক স্বাভাৱিক বৈশিষ্ট্যক প্রতিফলিত কৰে।

পিতৃ-মাতৃৰ মৃত্যুৰ পিছত খেৰসুটি আইৰ তত্ত্বাৱধানত ডাঙৰ হোৱা শংকৰদেৱৰ জীৱনত শিক্ষাৰ গুৰুত্বপূর্ণ অধ্যায় আৰম্ভ হয়। মহেন্দ্র কন্দলিৰ টোলত অধ্যয়নকালৰ বর্ণনাই তেওঁৰ অসাধাৰণ মেধা, অধ্যৱসায় আৰু জ্ঞানলাভৰ ক্ষমতাৰ পৰিচয় দিয়ে। কম সময়ৰ ভিতৰতে বিভিন্ন শাস্ত্র আয়ত্ত কৰা, গুৰুৰ সন্মান লাভ কৰা আৰু সহপাঠীসকলৰ মাজত বিশেষ স্থান অধিকাৰ কৰা আদি ঘটনাই তেওঁৰ বিদ্যাবুদ্ধিৰ উজ্জ্বল নিদর্শন দাঙি ধৰে। এই অংশত তেওঁক কেৱল ধর্মগুৰু হিচাপে নহয়, এজন বিশিষ্ট পণ্ডিত হিচাপেও প্রতিষ্ঠা কৰা হৈছে।

পাঠটোৰ আন এক গুৰুত্বপূর্ণ দিশ হৈছে শংকৰদেৱৰ গার্হস্থ্য জীৱন আৰু তীর্থ-যাত্রাৰ বিৱৰণ। সূর্যাৱতীৰ সৈতে বিবাহ, কন্যাৰ জন্ম, পত্নীৰ মৃত্যু আৰু পিছত দ্বিতীয় বিবাহৰ ঘটনাই তেওঁৰ জীৱনৰ মানৱীয় দিশটোক উন্মোচিত কৰিছে। ইয়াৰ সমান্তৰালভাৱে তীর্থ-যাত্রাৰ বর্ণনাই সেই সময়ৰ ধর্মীয় আৰু সাংস্কৃতিক পৰিৱেশৰ বিষয়ে কিছু ধাৰণা দিয়ে। দেশৰ বিভিন্ন পৱিত্র স্থান ভ্রমণৰ জৰিয়তে তেওঁ অধিক বিস্তৃত অভিজ্ঞতা আৰু ধর্মীয় জ্ঞান লাভ কৰিছিল বুলি বুজা যায়। এই ভ্রমণেই পৰৱর্তী সময়ত তেওঁৰ ধর্মীয় চিন্তা-চর্চাক অধিক সুসংহত কৰি তুলিছিল।

তীর্থ-যাত্রাৰ পৰা উভতি অহাৰ পিছত শংকৰদেৱে একশৰণ নামধর্মৰ প্রচাৰত অধিক মনোনিৱেশ কৰে। সৎসংগ, নাম আৰু একশৰণৰ দৰে মৌলিক আদর্শসমূহৰ প্রচাৰৰ জৰিয়তে তেওঁ সমাজত এক নতুন ধর্মীয় আন্দোলনৰ সূচনা কৰে। হৰি-গৃহ স্থাপন, কীর্তন-প্রচলন আৰু শিষ্যসকলক সংগঠিত কৰাৰ ঘটনাই তেওঁৰ সাংগঠনিক দক্ষতা আৰু দূৰদর্শিতাৰ পৰিচয় দিয়ে। এই সময়ছোৱাতেই তেওঁৰ ধর্মীয় জীৱনৰ এক নতুন অধ্যায় আৰম্ভ হোৱা দেখা যায়।

পাঠটোৰ শেষৰ অংশত শংকৰদেৱৰ সাহিত্যিক, সাংস্কৃতিক আৰু ধর্মীয় অৱদানৰ উল্লেখ বিশেষভাৱে গুৰুত্বপূর্ণ। *ভক্তিপ্রদীপ, ৰুক্মিণীহৰণ* আদি গ্রন্থ ৰচনা, *চিহ্নযাত্রা* নাটৰ মঞ্চায়ন, খোল-তাল, গায়ন-বায়ন আদিৰ প্রচলন আৰু বহু বিশিষ্ট ব্যক্তিৰ শিষ্যত্ব গ্রহণৰ ঘটনাই অসমীয়া সমাজ-সংস্কৃতিৰ বিকাশত তেওঁৰ ভূমিকা স্পষ্ট কৰি তোলে। একে সময়তে ৰাধিকা শান্তিৰ কাহিনী, অনন্ত কন্দলি আৰু

সার্বভৌম ভট্টাচার্যৰ শৰণ গ্রহণ, কছাৰী আৰু বাৰভূঞাসকলৰ সংঘাত আদি ঘটনাৰ মাজেৰে সমসাময়িক সমাজ-জীৱনৰো এক আভাস পোৱা যায়।

সামগ্রিকভাৱে এই পাঠাংশত শংকৰদেৱৰ জীৱনৰ বিভিন্ন পর্যায়ৰ বর্ণনাৰ লগতে তেওঁৰ আধ্যাত্মিক, বৌদ্ধিক, সাংস্কৃতিক আৰু সামাজিক ব্যক্তিত্বৰ এক বিস্তৃত ছবি উপস্থাপিত হৈছে। অলৌকিকতাৰ প্রাধান্য থাকিলেও ইয়াৰ অন্তৰালত শংকৰদেৱক এজন মহৎ সমাজসংস্কাৰক, ধর্মপ্রচাৰক, সাহিত্যিক আৰু সাংস্কৃতিক নায়ক হিচাপে প্রতিষ্ঠা কৰাৰ সচেতন প্রয়াস স্পষ্টভাৱে লক্ষ্য কৰা যায়। এই কাৰণেই *গুৰু-চৰিত-কথা* কেৱল এখন জীৱনীমূলক গ্রন্থ নহয়, অসমীয়া সমাজৰ ধর্মীয় আৰু সাংস্কৃতিক ইতিহাসৰ এক মূল্যৱান দলিল হিচাপেও বিবেচিত।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ : *গুৰু-চৰিত-কথাৰ* ৩৬ নং দফাৰ পৰা ৮৫ নং দফালৈকে মূলতঃ কি বিষয় বর্ণনা কৰা হৈছে?

.....

.....

.....

প্রশ্ন নং ৫ : এই পাঠাংশত শংকৰদেৱৰ কোন কোন দিশৰ পৰিচয় পোৱা যায়?

.....

.....

2 ৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চৰিতকাৰে শংকৰদেৱক জন্মৰ পৰাই অলৌকিক শক্তিসম্পন্ন মহাপুৰুষ হিচাপে চিত্রিত কৰিছে। শৈশৱতে শংকৰদেৱে সাহস, শক্তি, কৌতূহল আৰু নেতৃত্বৰ অসাধাৰণ পৰিচয় দিছিল।
- তেওঁ ব্রহ্মপুত্র সাঁতুৰি পাৰ হোৱা, অজগৰ বধ কৰা, কাছ ধৰা আদি কার্যৰ জৰিয়তে নিজৰ সক্ষমতা প্রকাশ কৰিছিল।
- পিতৃ-মাতৃৰ মৃত্যুৰ পাছত তেওঁ খেৰসুটি আইৰ তত্ত্বাৱধানত ডাঙৰ হৈছিল।
- বাৰ বছৰ বয়সত খেৰসুটি আইয়ে তেওঁক মহেন্দ্র কন্দলিৰ টোলত শিক্ষাগ্রহণৰ বাবে নাম লিখাই দিছিল।
- শংকৰদেৱে অতি কম সময়ৰ ভিতৰতে বিভিন্ন শাস্ত্র অধ্যয়ন কৰি অসাধাৰণ পাণ্ডিত্যৰ পৰিচয় দিছিল।
- সূর্যাৱতীৰ সৈতে বিবাহৰ পাছত তেওঁ গার্হস্থ্য জীৱন আৰম্ভ কৰিছিল আৰু পৰৱর্তী সময়ত তীর্থ-যাত্রালৈ গৈছিল।

- বাৰ বছৰীয়া তীর্থ-যাত্রাই তেওঁৰ ধর্মীয় চিন্তা-চেতনাক অধিক সুসংহত কৰিছিল। তীর্থ-যাত্রাৰ পৰা উভতি আহি তেওঁ একশৰণ নামধর্মৰ প্রচাৰত সক্রিয়ভাৱে মনোনিৱেশ কৰিছিল।
- সৎসংগ, নাম আৰু একশৰণৰ আদর্শৰ জৰিয়তে তেওঁ সমাজত ভক্তিমূলক ধর্মীয় আন্দোলন গঢ়ি তুলিছিল।
- তেওঁ ভক্তিপ্রদীপ, ৰুক্মিণীহৰণ আদি গ্রন্থ ৰচনা কৰাৰ লগতে চিহ্নযাত্রা নাট মঞ্চস্থ কৰিছিল। খোল, তাল, গায়ন-বায়ন, নাট্যকলা আৰু ভক্তিমূলক সংস্কৃতিৰ বিকাশত শংকৰদেৱে গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছিল।
- ৰাধিকা শান্তি, অনন্ত কন্দলি, সার্বভৌম ভট্টাচার্য আদি ব্যক্তিৰ সৈতে জড়িত ঘটনাই তেওঁৰ আধ্যাত্মিক প্রভাৱৰ পৰিচয় দিয়ে।
- পাঠটোৰ মাজেৰে সমসাময়িক অসমৰ সমাজ, সংস্কৃতি, ধর্মীয় জীৱন আৰু ৰাজনৈতিক পৰিস্থিতিৰো আভাস পোৱা যায়।
- শংকৰদেৱক এজন ধর্মগুৰু, সমাজ-সংস্কাৰক, সাহিত্যিক আৰু সাংস্কৃতিক নায়ক হিচাপে প্রতিষ্ঠা কৰাৰ সচেতন প্রয়াস এই পাঠত লক্ষ্য কৰা যায়।

৮.৬ অধিক জানিবলৈ

গোস্বামী, গোলকেশ্বৰ (২০১২); গুৰু-চৰিত-কথা অধ্যয়ন আৰু বিশ্লেষণ; গুৱাহাটীঃ চন্দ্র প্রকাশ ।

চক্রৱর্তী, মুকুল (২০০০); গুৰু-চৰিত-কথা অধ্যয়ন; গুৱাহাটী।

নেওগ, মহেশ্বৰ (সম্পা.) (১৯৮৭); গুৰু-চৰিত-কথা; গুৱাহাটীঃ গুৱাহাটী বিশ্ববিদ্যালয়।

নেওগ, মহেশ্বৰ (১৯৬০); অসমীয়া সাহিত্যৰ ৰূপৰেখা; গুৱাহাটীঃ লয়ার্ছ বুক ষ্টল।

বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); অসমীয়া কথা সাহিত্য; নলবাৰীঃ জার্ণাল এম্পৰিয়াম।

বর্মন, শিৱনাথ (সম্পা.) (১৯৯৭); অসমীয়া সাহিত্যৰ বুৰঞ্জী [দ্বিতীয় খণ্ড]; গুৱাহাটীঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

লেখাৰু, উপেন্দ্রচন্দ্র (সম্পা.) (১৯৫২); কথা-গুৰুচৰিত; গুৱাহাটীঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

শর্মা, গোবিন্দ প্রসাদ (১৯৯৩); জীৱনী আৰু অসমীয়া জীৱনী; গুৱাহাটীঃ ষ্টুডেণ্টছ্ ষ্টোৰচ্।

শর্মা দলৈ, হৰিনাথ (১৯৯২); অসমীয়া গদ্য সাহিত্যৰ গতিপথ; নলবাৰীঃ পদ্মপ্রিয়া লাইব্রেৰী।

৮.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ : শংকৰদেৱৰ বাৰ বছৰ বয়সত বুঢ়ী মাক খেৰসুটিয়ে মহেন্দ্র কন্দলিৰ টোলত শিক্ষাগ্রহণৰ বাবে নাম লিখাই দিছিল।

২ নং প্রশ্নৰ উত্তৰ : ডাইনা সাত আঙ্গুৰ বেঞা তেৰ আঙ্গুল।

৩ নং প্ৰশ্নৰ উত্তৰ : *গুৰু-চৰিত-কথাৰ* ৩৬ নং দফাৰ পৰা ৮৫ নং দফালৈকে মূলতঃ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম, শৈশৱ, শিক্ষাজীৱন, তীৰ্থ-যাত্ৰা, গাৰ্হস্থ্য জীৱন আৰু একশৰণ নামধৰ্ম প্ৰচাৰৰ আৰম্ভণিৰ বিভিন্ন ঘটনা বৰ্ণনা কৰা হৈছে।

৪ নং প্ৰশ্নৰ উত্তৰ : এই পাঠাংশত শংকৰদেৱৰ আধ্যাত্মিক, বৌদ্ধিক, সাহিত্যিক, সাংস্কৃতিক আৰু সমাজসংস্কাৰক ৰূপৰ পৰিচয় পোৱা যায়। লগতে তেওঁৰ ধৰ্মপ্ৰচাৰক আৰু সাংগঠনিক দক্ষতাও প্ৰকাশ পাইছে।

M ৮.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ : তলত দিয়া প্ৰসমূহৰ উত্তৰ লিখক

ক) শংকৰদেৱক কিমান বছৰ বয়সত মহেন্দ্ৰ কন্দলিৰ টোলত নাম লিখোৱা হৈছিল ?

খ) শংকৰদেৱৰ প্ৰথম পত্নীৰ নাম কি আছিল ?

গ) শংকৰদেৱে তীৰ্থযাত্ৰাৰ পূৰ্বে কাক বৰভূঞা পাতি গৈছিল ?

ঘ) শংকৰদেৱে প্ৰতিষ্ঠা কৰা হৰি-গৃহ ক'ত স্থাপন কৰা হৈছিল ?

ঙ) 'চিহ্নযাত্ৰা' কি ?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : শংকৰদেৱৰ শৈশৱৰ দুটা অলৌকিক ঘটনাৰ উল্লেখ কৰা।

প্ৰশ্ন ২ : খেৰসুটি আইয়ে শংকৰদেৱক কি উপদেশ দি পঢ়িবলৈ পঠিয়াইছিল ?

প্ৰশ্ন ৩ : শংকৰদেৱৰ তীৰ্থযাত্ৰাৰ বিষয়ে চমুকৈ লিখা।

প্ৰশ্ন ৪ : একশৰণ নামধৰ্মৰ তিনিটা মূল উপাদান কি কি ?

প্ৰশ্ন ৫ : ৰাধিকা শান্তিয়ে কেনেদৰে নিজৰ সতীত্ব প্ৰমাণ কৰিছিল ?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : গুৰু-চৰিত-কথাৰ আলোচ্য অংশত বৰ্ণিত শংকৰদেৱৰ শৈশৱ জীৱনৰ বিৱৰণ দিয়া।

প্ৰশ্ন ২ : শংকৰদেৱৰ শিক্ষাজীৱন আৰু পাণ্ডিত্যৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ৩ : শংকৰদেৱৰ তীৰ্থযাত্ৰা আৰু তাৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ৪ : একশৰণ নামধৰ্মৰ প্ৰচাৰত শংকৰদেৱৰ অৱদান বৰ্ণনা কৰা।

প্ৰশ্ন ৫ : আলোচ্য পাঠাংশৰ আধাৰত শংকৰদেৱক এজন ধৰ্মপ্ৰচাৰক, সাহিত্যিক আৰু সমাজ-সংস্কাৰক হিচাপে মূল্যায়ন কৰা।